**জনসংযোগ, অসম**
**মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নং ঃ ১৩৯/২০২০**

# ক'ভিড-১৯ ৰ ভয়াবহ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অসম বিধানসভাৰ বিধায়কসকলক নিজ নিজ সমষ্টিত সন্মুখৰ পৰা নেতৃত্ব দিয়াৰ আহ্বান জনাই মুখ্যমন্ত্ৰীৰ পত্ৰ প্ৰেৰণ

**দিছপুৰ, ২৯ মাৰ্চ ঃ** সম্প্ৰতি সমগ্ৰ বিশ্বজুৰি ক'ভিড-১৯ ৰ ভয়াবহ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সংক্ৰমণৰ পৰা দেশৰ জনগণক বচাই ৰখাৰ বাবে ৰাষ্ট্ৰজোৰা লক্-ডাউন ঘোষণা কৰি সামাজিক দূৰত্ব বজাই ৰাখি ইয়াক সৰ্বাত্মকভাৱে পালন কৰাৰ বাবে জনসাধাৰণক আহ্বান জনাইছে। এই কাৰ্যসূচী দেশৰ লগতে অসমৰ জনসাধাৰণেও পালন কৰি সংক্ৰমণ প্ৰতিৰোধৰ বাবে নিজকে গৃহৰ ভিতৰতে আৱদ্ধ কৰি ৰাখিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম বিধানসভাৰ প্ৰতিগৰাকী বিধায়ককে এক পত্ৰ প্ৰেৰণ কৰি নিজৰ নিজৰ সমষ্টিত সন্মুখৰ পৰা নেতৃত্ব প্ৰদান কৰি জনসাধাৰণক এই কাৰ্যসূচী সৰ্বাত্মকভাৱে সফল কৰাৰ দিশত দায়বদ্ধতাৰে সেৱা আগবঢ়োৱাৰ বাবে আহ্বান জনাইছে। পত্ৰখনত মুখ্যমন্ত্ৰীয়ে কয় যে বিধায়কসকলে নিজ নিজ সমষ্টিত চৰকাৰী সেৱা সমূহৰ পৰা যাতে কোনো লোক বঞ্চিত নহয়, সেই দিশত বিধায়কসকলে চোকা দৃষ্টি ৰাখিব লাগিব। এই দিশত জিলা প্ৰশাসনৰ সৈতে সঘনাই যোগাযোগ ৰাখি তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে বিধায়কসকলক আহ্বান জনাইছে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে সমগ্ৰ দেশৰ লগতে আমাৰ দেশেও এক জটিল পৰিস্থিতিৰ সন্মুখীন হৈছে। সেয়েহে এই জটিল পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত নিজৰ নিজৰ সমষ্টিত প্ৰতিগৰাকী বিধায়কে নেতৃত্ব প্ৰদান কৰি জনসাধাৰণক সকাহ প্ৰদান কৰিব লাগিব। জনসাধাৰণে যাতে এই গৃহ আৱদ্ধ হৈ থকা সময়ত অত্যাৱশ্যকীয় সেৱাসমূহ প্ৰাপ্তিৰ দিশত কোনো জটিলতাৰ সৃষ্টি নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনাইছে।

**প্ৰঃকুঃবঃ / পুঃডেঃ / বঃভাঃ**
**২৯/০৩/২০২০**